# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অমৃত স্নানত অংশ ল'বলৈ যোৱা তিনিচুকীয়া জিলাৰ দুগৰাকী মহিলা সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত তিনিচুকীয়া আৰক্ষী আৰু অসম আৰক্ষীয়ে উত্তৰ প্ৰদেশ আৰক্ষীৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে কালি মেলাথলীত পদপিষ্ট হৈ অসমৰ এগৰাকী ব্যক্তিৰ লগতে ৩০ গৰাকীৰো অধিক ব্যক্তি নিহত হৈছিল। মহাকুম্ভ মেলাৰ মৌনী অমাৱস্যাৰ নিশা গংগাৰ ত্ৰিবেণী সংগমস্থলীত পূণ্যস্নান কৰিবলৈ গৈ পদপিষ্ট হৈ প্ৰাণ হেৰুওৱা হাইলাকান্দিৰ নীতি ৰঞ্জন পাল পেচাত এগৰাকী ব্যৱসায়ী আছিল। মেলাথলীত পদপিষ্ট হৈ আহত পালক সংকটজনক অৱস্থাত উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ আৰক্ষীয়ে উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। অসম চৰকাৰে পালৰ পৰিয়াললৈ সমবেদনা জনাইছে আৰু ৫ লাখ টকাৰ আৰ্থিক ক্ষতিপূৰণ দিয়াৰো আশ্বাস দিছে।

ইপিনে, কুম্ভ মেলাত অহা ৪ ফেব্ৰুৱাৰী পৰ্যন্ত বাহনৰ চলাচল শূন্য কৰি ৰখাৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে সিদ্ধান্ত লৈছে। ভক্তসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ বাহনসমূহহে মেলালৈ চলাচলৰ অনুমতি দিয়া হ'ব।

মহাকুম্ভ মেলাত সংঘটিত এই শোকাবহ দুৰ্ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

পদ্মশ্ৰী সন্মানেৰে বিভূষিত সুৰদী কণ্ঠশিল্পী দীপালি বৰঠাকুৰৰ আজি ৮৪ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অনুৰাগীসকলে শ্ৰদ্ধা জ্ঞাপন কৰিছে। কোনো কোনো স্থানত শিল্পীগৰাকীয়ে কণ্ঠদান কৰা গীতৰ প্ৰতিযোগিতা আৰু সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। ১৯৪১ চনৰ ৩০ জানুৱাৰীত তেতিয়াৰ শিৱসাগৰ জিলাৰ সোণাৰিৰ নীলমণি বাগানত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে বহু কালজয়ী গীতেৰে অসমীয়া সংগীতৰ জগতখন সমৃদ্ধ কৰি থৈ গৈছে। শিল্পীগৰাকীয়ে ১৯৪৭ চনত মইনা মেলৰ যোগেদি গায়িকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। পাছলৈ তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত সংগীত পৰিবেশন কৰি জনপ্ৰিয় হৈ পৰে। ১৯৫৯ চনত ক্ষীৰদা কান্ত বিষয়াৰ কথা আৰু সুৰ তথা লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাৰে মুক্তি লাভ কৰা লাচিত বৰফুকন চলচ্চিত্ৰত প্ৰথমবাৰৰ বাবে গীত পৰিবেশন কৰা শিল্পীগৰাকীৰ কণ্ঠৰ এমুঠি সুৰীয়া গীতে শ্ৰোতাৰ হৃদয়ত নজহা-নপমাকৈ প্ৰভাৱ বিস্তাৰ কৰি ৰাখিছে। স্নায়ুৰ এটা জটিল ৰোগত আক্ৰান্ত হৈ অসুস্থ হৈ

পৰা সত্বেও তেওঁৰ গীতসমূহে অনুৰাগীসকলৰ হৃদয় সদায়েই স্পৰ্শ কৰে। শিল্পীগৰাকীয়ে ১৯৯৮ চনত পদ্মশ্ৰী সন্মান আৰু ২০১০ চনত শিল্পী বঁটা লাভ কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে নিভাজ গ্ৰাম্য ছবিক তুলি ধৰা সুললিত কণ্ঠৰে শিল্পীগৰাকীৰ গীতসমূহে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অনুৰাগীৰ সৃষ্টি কৰিছে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাইও আজি শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে।

ooooo

ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাসমূহত আজিৰে পৰা ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। মাজুলী জিলাৰ গড়মূৰ পীতাম্বৰ দেৱ জিলা চিকিৎসালয়ৰ নাৰ্ছিং স্কুলত ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ লগতে জিলা চিকিৎসালয়ৰ উপ-অধীক্ষক, স্বাস্থ্য বিষয়াৰ লগতে আশাকৰ্মী আৰু নাৰ্ছিং স্কুলৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। অহা ১৩ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই বিশেষ অভিযানত মাজুলী জিলাৰ স্বাস্থ্য বিভাগৰ স্বাস্থ্যকৰ্মী, আশাকৰ্মীসকলে ঘৰে ঘৰে গৈ কুষ্ঠৰোগ সন্দৰ্ভত জনসাধাৰণক সজাগতা আৰু স্বাস্থ্য পৰীক্ষা কৰিব। কাৰ্বি আংলং জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক আৰু জিলা কুষ্ঠ বিভাগৰ উদ্যোগত হাওৰাঘাটত ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত বিশেষ সভাত কুষ্ঠ ৰোগৰ সম্পৰ্কে থকা ভুল ধাৰণাসমূহ নিৰ্মূলৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীতো ৰাষ্ট্ৰীয় কুষ্ঠ নিবাৰণী দিৱস আয়োজিত হৈছে। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত সংবাদমেলত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মিনহাজ চৌধুৰীয়ে ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীৰ বিষয়ে সদৰি কৰে।

ooooo

যোৱা ২৫ জানুৱাৰীৰ নিশা আমাৰ কেন্দ্ৰৰ দৃষ্টিপাতত প্ৰচাৰিত এই বছৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা সংক্ৰান্তিয় বিশেষ আলোচনাৰ অনুষ্ঠানটো আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা কাইলৈ দিনৰ ১১ বজাত পুনৰ প্ৰচাৰৰ দিহা কৰা হৈছে। শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মনত উদ্ৰেক হোৱা ভালেমান বিষয় সন্দৰ্ভত এই অনুষ্ঠানত মনোজ্ঞ আলোচনা প্ৰচাৰিত হৈছিল। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা এই অনুষ্ঠানটোত ভাগ লৈছিল ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ মণ্ডল ১-ৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু মণ্ডল ২-ৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে। এই অনুষ্ঠান মিডিয়াম ৱেভৰ ৫২৯.১ মিটাৰ অৰ্থাৎ ৫৬৭ কিলোহাৰ্টজ আৰু এফ এম বেণুৰ ১০১.৩ মেগাহাৰ্টজত শুনিবলৈ পাব। ৪৩ মিনিটৰ এই অনুষ্ঠান নিউজ অন এয়াৰ এপতো শ্ৰোতাসকলে শুনিবলৈ পাব।

ooooo

উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত উশুৰ জৰিয়তে অসমে প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। উশু খেলুৱৈ ছনমা ব্ৰহ্মই অসমক ৰূপৰ পদক উপহাৰ দিয়ে। ইপিনে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফুটবলত অসমে জয়ৰে অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত গ্ৰুপৰ খেলত অসমে শক্তিশালী

গোৱাক ৩-২ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ১৮ বছৰৰ পিছত ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ অসম ফুটবল দলে যোগ্যতা অৰ্জন কৰিছে।

ooooo

সমাপ্ত